**2.11. মুক্ত অৰ্থনীতিত জাতীয় আয়ৰ হিচাব (National Income Accounting in an open Economy)ঃ**

মুক্ত অৰ্থনীতিত ঘৰুৱা এজেণ্ট বা উৎপাদনকাৰীয়ে বিদেশীৰ পৰা দ্ৰব্য, সেৱা, উপাদান, সেৱা, শাৰীৰিক আৰু বৃত্তীয় সম্পদ ক্ৰয় কৰিব পাৰে। একেদৰেই বিদেশী সকলেও এই সকলো দ্ৰব্য বা সেৱা ঘৰুৱা এজেণ্ট, উৎপাদনকাৰী বা প্ৰতিষ্ঠানৰ পৰা কিনিব পাৰে।

সকলো আধুনিক অৰ্থনীতিয়েই হ'ল মুক্ত অৰ্থনীতি। পৃথিৱীৰ প্ৰতিখন দেশৰে অৰ্থনৈতিক সম্পৰ্ক বাকী দেশ বিলাকৰ লগত আছে। আন্তৰ্জাতিক অৰ্থনৈতিক সম্পৰ্কই উৎপাদন, উপভোগ আৰু মূলধন গঠনত প্ৰভাৱ পেলায়। পৃথিৱীৰ বাকী দেশবোৰৰ লগত থকা অৰ্থনৈতিক সম্পৰ্কত তলৰ কথাখিনি জড়িত থাকে।

i) বিদেশীসকলৰ দ্ৰব্য আৰু সেৱা বিক্ৰী (ৰপ্তানী)

ii) পৃথিৱীৰ বাকীদেশবোৰৰ পৰা দ্ৰব্য আৰু সেৱাৰ ক্ৰয় (আমদানি)

iii) সম্পদ আহৰণৰ দ্বাৰা বিদেশীৰ পৰা অংশপত্ৰ, ব'ণ্ড, লাভাংশ ক্ৰয়।

iv) বিদেশীৰ ওচৰত থকা দায়বদ্ধতাৰ বাবে অংশপত্ৰ, ব'ণ্ড, লাভাংশ আদিৰ বিক্ৰী।

v) বিদেশীক ধাৰে দিয়া আৰু বিদেশীৰ পৰা ধাৰে লোৱা চৰকাৰৰ পৰা চৰকাৰলৈ প্ৰত্যক্ষভাৱে ধাৰে দিয়া আৰু বিশ্ব বেংক বা আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি (IMF) আদি আন্তঃৰাষ্ট্ৰীয় বৃত্তীয় প্ৰতিষ্ঠানৰ যোগেদি অপ্ৰত্যক্ষভাৱে ধাৰে দিয়া বা ধাৰে লোৱা।

vi) বিদেশীলৈ উপহাৰ পঠোৱা আৰু তেওঁলোকৰ পৰা উপহাৰ গ্ৰহণ কৰা।

vii) এখন দেশৰ স্থানীয় বাসিন্দাই অন্য এখন দেশলৈ কাম কৰিবলৈ যোৱা আৰু বিদেশৰ বাসিন্দাই ঘৰুৱা দেশখনৰ সীমাৰ ভিতৰলৈ আহি কাম কৰা।

এতিয়া আমাৰ লক্ষ্য হ'ল কেনেকৈ জাতীয় আয় হিচাব কৰা প্ৰণালী পৰিসীমিত (modify) কৰিব পাৰি যেতিয়া ওপৰত উল্লেখ কৰা লেনদেনবোৰ মুক্ত অৰ্থনীতিত প্ৰয়োগ কৰা হয়।

**2.12. মূল্য সংযোজিতপদ্ধতি (The Value added Method) ঃ**

আগতে উল্লেখ কৰাৰ দৰে মুঠ সংযোজিত মূল্যই এখন ফাৰ্মৰ উৎপাদনৰ প্ৰকৃত মূল্য দিয়ে য'ত মূল্যৰ অৱনতিত অৰ্ন্তভূক্ত থাকে। তদনুসাৰে এখন দেশৰ এটা নিৰ্দিষ্ট সময়ৰ মুঠ ঘৰুৱা উৎপাদন (GDP) দশ খনৰ ভৌগোলক সীমাৰ ভিতৰত থকা সকলো ঘৰুৱা ব্যক্তিগত আৰু ৰাজহুৱা উদ্যোগৰ মুঠ সংযোজিত মূল্যৰ সমষ্টিৰ দ্বাৰা দিয়া হয়। যোগ নিৰ্দিষ্ট সময়ৰ চৰকাৰী প্ৰশাসন আৰু প্ৰতিৰক্ষাৰ মজুৰি আৰু দৰমহাৰ দ্বাৰা পোৱা যায়।

ইয়াত লক্ষ্য কৰিব লগীয়া মূল কথাটো (point) হ'ল যে ঘৰুৱা ফাৰ্ম কিছুমানে ব্যৱহাৰ কৰা মধ্যৱৰ্ত্তী সা-সৰঞ্জাম (input) বিদেশী ফাৰ্মৰ পৰাও কিনা হ'ব পাৰে। সেয়ে যেতিয়া মূল সংযোজন পদ্ধতিৰ দ্বাৰা জাতীয় আয় গণনা কৰা হয় তেতিয়া মধ্যৱৰ্ত্তী সা-সৰঞ্জাম হিচাবে আমদানি কৰা আচল মূল্যকো যোগ কৰিব লাগে।

**2.13. আয় পদ্ধতি (Income Method) ঃ**

এখন ফাৰ্মে এক নিৰ্দিষ্ট বছৰত উৎপাদন কৰা দ্ৰব্যৰ মুঠ লাভৰ সংজ্ঞা দিয়া হয় যে ফাৰ্মখন বন্ধ বা মুক্ত অৰ্থনীতিৰ

ভৌগোলিক সীমাৰ বাহিৰতেই হওক বা ভিতৰতেই হওক প্ৰতিষ্ঠান খনৰ নিৰ্দিষ্ট বছৰটোৰ উৎপাদনৰ মূল্য, নিৰ্দিষ্ট উৎপাদনৰ মূল্য হ্ৰাস বাদ দি আচল উৎপাদন ব্যয়।

সেয়ে ব্যক্তিগত বা ৰাজহুৱা খণ্ডৰ উদ্যোগৰ এটা নিৰ্দিষ্ট বছৰৰ মুঠ লাভ = উদ্যোগটোৰ নিৰ্দিষ্ট বছৰটোৰ উৎপাদনৰ মূল্য + নিৰ্দিষ্ট বছৰটোত উদ্যোগটোৱে চৰকাৰৰ পৰা লাভ কৰা অৰ্থ সাহায্য – নিৰ্দিষ্ট বছৰটোত উদ্যোগটোৱে উৎপাদন বা বিক্ৰিৰ বাবে চৰকাৰৰ দিয়া পৰিশ্ৰমিক + সুদ + সাহায্য – নিৰ্দিষ্ট বছৰটোত উদ্যোগটোৱে ব্যৱহাৰ কৰা মধ্যৱৰ্তী সা-সৰঞ্জামৰ (input) মূল্য। উপৰুক্ত সমীকৰণটো মুক্ত অৰ্থনীতিৰ ক্ষেত্ৰটো প্ৰয়োগ কৰা হয়। মনকৰবিলগীয়া কথাটো হ'ল যে মুক্ত অৰ্থনীতিত কিছুমান মধ্যৱৰ্তী সা-সৰঞ্জাম (inputs) বিদেশৰ পৰাও আমদানি কৰিব পাৰে। একেদৰেই ঘৰুৱা প্ৰতিষ্ঠানে ব্যৱহাৰ কৰা কিছুমান উৎপাদনৰ উপাদানৰ গৰাকী বিদেশৰ বাসিন্দাও হ'ব পাৰে।

সেয়ে এটা নিৰ্দিষ্ট বছৰৰ (GDP) ঘৰুৱা মুঠ উৎপাদন হ'ব ঃ-

GDP = এটা নিৰ্দিষ্ট বছৰৰ ভৌগোলিক সীমাৰেখাৰ ভিতৰৰ অৰ্থনীতিৰ সকলো ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ সৰ্বমুঠ লাভ + নিৰ্দিষ্ট বছৰটোত এই উদ্যোগ বিলাকে পৰিয়ালক (households) দিয়া বেতন + সুদ + খাজনা + নিৰ্দিষ্ট বছৰটোত দিয়া মুঠ আচল পৰোক্ষ কৰ + নিৰ্দিষ্ট বছৰটোত চৰকাৰী প্ৰশাসন আৰু নিৰ্দিষ্ট অৰ্থনীতিৰ প্ৰতিৰক্ষাৰ বাবদ পৰিয়ালক দিয়া পাৰিশ্ৰমিক (wages) আৰু দৰমহা।

উপৰোক্ত সমীকৰণটো মুক্ত অৰ্থনীতিৰ ক্ষেত্ৰটো প্ৰযোজ্য হ'ব পাৰে। একমাত্ৰ পাৰ্থক্যটো হ'ল যে উপাদানে লাভ কৰা অৰ এটা অংশ বিদেশী সকলকো দিব পাৰে।

## 2.14. ব্যয় পদ্ধতি (Expenditure Method) ঃ

সকলো ঘৰুৱা ব্যক্তিগত আৰু ৰাজহুৱা উদ্যোগে একেলগে কৰা দ্ৰব্যৰ মুঠ জমা বৃদ্ধি হ'ব পাৰে কেৱল উৎপাদনৰ বাবেই নহয় আমদানিৰ বাবেও হ'ব পাৰে। সেয়ে -এই উদ্যোগ বিলাকৰ মুঠ মূলধন জমালৈ অহা দ্ৰব্যবোৰ হ'ল এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত উদ্যোগৰ চলিত উৎপাদন বা মুঠ GVA আৰু উদ্যোগ বিলাকে পোৱা সকলোধৰণৰ আমদানি। এক নিৰ্দিষ্ট সময়ৰ ভিতৰত উদ্যোগ বিলাকে মুঠ আমদানিক CMF ৰ দ্বাৰা সূচক হয়। আনহাতেদি মূল্য হ্ৰাসক উপেক্ষা কৰি এই উদ্যোগ বিলাকে ঘৰুৱা পৰিয়াল, ঘৰুৱা চৰকাৰ আৰু বিদেশীক এক নিৰ্দিষ্ট সময়ত কৰা বিক্ৰী বাহিৰলৈ যোৱা দ্ৰব্যৰ (out flow) অন্তৰ্ভুক্ত হয়।

এতিয়া, ঘৰুৱা আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগ বিলাকে একেলগে এক নিৰ্দিষ্ট সময়ত ঘৰুৱা পৰিয়ালক বিক্ৰি = $C+I_M-M_H$ ...............[1] = এক নিৰ্দিষ্ট সময়ৰ ভিতৰত ঘৰুৱা পৰিয়াল আৰু ঘৰুৱা আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগ বিলাকে কৰা ক্ৰয়।

ইয়াত সমিকৰণ $(C+I_H)$ এ এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত ঘৰুৱা পৰিয়ালে (Domestic household) ঘৰুৱা আৰু ৰাজহুৱা উদ্যোগ আৰু বিদেশীৰ পৰা কিনা মুঠ ক্ৰয়ক প্ৰতিনিধিত্ব কৰিছে আৰু $M_H$ এ এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত ঘৰুৱা পৰিয়ালে বিদেশীৰ পৰা কিনা ক্ৰয়ৰ মূল্যক সূচাইছে। তদনুসাৰে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত ঘৰুৱা পৰিয়ালে ঘৰুৱা ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ পৰা কিনা দ্ৰব্য আৰু সেৱাৰ মূল্য হ'ব $C+I_H-M_H$ ।

একেদৰে ঃ


এক নিৰ্দিষ্ট সময়ৰ ভিতৰত ঘৰুৱা ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগ ঘৰুৱা চৰকাৰক কৰা বিক্ৰি = এ



নিৰ্দিষ্ট সময়ৰ ভিতৰত ঘৰুৱা চৰকাৰ আৰু ঘৰু
চৰকাৰী প্ৰশাসন আৰু প্ৰতিৰক্ষাৰ দৰমহা - M

এতিয়া সমীকৰণ (২) ক ব্যাখ্যা কৰা
প্ৰতিৰক্ষাই ঘৰুৱা ব্যক্তিগত আৰু ৰাজহুৱা খণ্ড
আৰু প্ৰতিৰক্ষাৰ মজুৰি আৰু দৰমহাক সূচাইছে
প্ৰশাসন আৰু প্ৰতিৰক্ষাই বিদেশীৰ পৰা ক্ৰয় ক
প্ৰশাসন আৰু প্ৰতিৰক্ষাই এটা নিৰ্দিষ্ট সময়ৰ ভি
আৰু সেৱাৰ মূল্য (G- ঘৰুৱা চৰকাৰী প্ৰশাসন
ঘৰুৱা অৰ্থনৈতিক এজেন্টে বিদেশীক কৰা বিক্ৰি

ঘৰুৱা ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ উ
তলৰ চিত্ৰৰ দ্বাৰা দেখুওৱা হয় -




এতিয়া স্পষ্ট হ'ল যে আৰম্ভনিৰ পৰা শে
থকা ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগ বি
এতিয়া বুজা গ'ল যে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত
ক্ষয়ক্ষতি বাদ দি এই মূলধন জমালৈ হোৱা মুঠ

IF = [ নিৰ্দিষ্ট সময়ৰ সকলো ব্যক্তিগত

$GVA+M_F]-[(C+I_H-M_H)+(C$

দৰমহা --3

সমীকৰণ 3 ৰ পৰা পাব পাৰো যে -

(ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগৰ

$= C+(I_H+I_F)+G+X-(M_H+M$

ওপৰৰ কথাখিনিয়ে আকৌ এইটো বুজাই

GDP= সকলো ব্যক্তিগত আৰু ৰাজহুৱা